Total number of printed pages–3

14 (ASM–1) 1016

**2022**

**ASSAMESE**

Paper : ASM–1016

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। *যিকোনো পাঁচটা* প্ৰশ্নৰ উত্তৰ কৰিবা ঃ ১২×৫=৬০

(ক) ভাৰতৰ আঞ্চলিক ভাষাসমূহৰ উত্থানক কি কি কাৰকে কেনেকৈ প্ৰভাৱিত কৰিছিল বিশ্লেষণ কৰা।

(খ) চৰ্যাপদৰ ভাষাৰ সৈতে অসমীয়া ভাষাৰ লগতে অন্য পূৰ্ব ভাৰতীয় ভাষাৰ সাদৃশ্য কিয় পোৱা যায় ব্যাখ্যা কৰা।

(গ) সাহিত্যিক ভাষাৰূপে অসমীয়া ভাষাৰ বিকাশত ৰাজকীয় পৃষ্ঠপোষকতাৰ ভূমিকা কেনেধৰণৰ আলোচনা কৰা।

Contd.

Created by Hemchandra Mili
Assistant Professor

(ঘ) মাধৱ কন্দলীৰ ৰামায়ণৰ মাজেৰে অসমীয়া ভাষাৰ পূৰ্ণৰূপ এটা গঢ়লৈ উঠিছে, ৰামায়ণখনৰ ভাষিক বৈশিষ্ট্যৰ আধাৰত আলোচনা কৰা।

(ঙ) বুৰঞ্জীৰ ভাষাই ভাষিক আৰু সাংস্কৃতিক সংযোগৰ স্বাক্ষৰ কেনেদৰে বহন কৰিছে, বিশ্লেষণ কৰা।

(চ) লিখিত চৰিত পুথিৰ ভাষাত মৌখিক চৰিত তোলা প্ৰথাই কেনে প্ৰভাৱ পেলাইছে, নিদৰ্শনসহ আলোচনা কৰা।

(ছ) আধুনিক অসমীয়া ভাষা নিৰ্মাণৰ পটভূমি সৃষ্টি কৰা কাৰককেইটাৰ বিষয়ে আলোচনা কৰা।

(জ) মান্য অসমীয়া ভাষাৰ উত্থানত ছপা মাধ্যমৰ ভূমিকাৰ বিষয়ে আলোচনা কৰা।

২। চমু টোকা লিখা ঃ *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) মৌখিক যুগৰ সাহিত্যৰ ভাষাৰ বৈশিষ্ট্য

(খ) প্ৰাচীন অসমৰ অনুশাসনৰ ভাষা

(গ) প্ৰহ্লাদ চৰিত্ৰৰ ভাষা ব্যৱহাৰ

(ঘ) অসমীয়া ভাষাৰ উত্থানত ধৰ্মৰ ভূমিকা

(ঙ) আনন্দৰাম ঢেকিয়াল ফুকন

(চ) অৰুণোদয়ৰ ভাষা

---

Total number of printed pages–2

**14 (ASM–1) 1026**

# 2022

# ASSAMESE

Paper : ASM–1026

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। *যিকোনো ৫টা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১২×৫=৬০

(ক) দণ্ডীনাথ কলিতাৰ উপন্যাসত ঔপন্যাসিক গৰাকীৰ সমাজচেতনা কিদৰে প্ৰতিফলিত হৈছে, বিশ্লেষণ কৰা।

(খ) ৰমা দাশৰ চুটিগল্পত মানৱীয় সম্পৰ্কই কি ৰূপ লৈছে ফঁহিয়াই দেখুওৱা।

(গ) অসমত শ্যেইক্‌ছপীয়েৰীয় নাট্যৰীতিৰ প্ৰয়োগ সন্দৰ্ভত নকুল চন্দ্ৰ ভূঞা আৰু অতুল চন্দ্ৰ হাজৰিকাৰ নাটকৰ আধাৰত এটি আলোচনা প্ৰস্তুত কৰা। ৬+৬=১২

Contd.

(ঘ) ভবানন্দ দত্তৰ সমালোচনাৰ বৈশিষ্ট্যসমূহ ফঁহিয়াই দেখুওৱা।

(ঙ) শীলভদ্রৰ গল্পত নগৰ-জীৱনৰ প্ৰতিফলন সম্পৰ্কে বিবৰি লিখা।

(চ) মফিজুদ্দিন আহমদ হাজৰিকাৰ কবিতাত শংকৰী চেতনা কিদৰে মূৰ্ত হৈছে দেখুওৱা।

(ছ) হিমেন্দ্ৰ কুমাৰ বৰঠাকুৰৰ নাটকত এবচাৰ্ডিটি (Absurdity) ৰ ধাৰণা সম্পৰ্কে লিখা।

২। চমু টোকা লিখা ঃ *(যিকোনো ৪টা)* ৫×৪=২০

(ক) উমাকান্ত শৰ্মাৰ উপন্যাসৰ বিষয়বস্তু

(খ) য়েচে দৰজে ঠংচিৰ উপন্যাসৰ জনজাতীয় সমাজ

(গ) নকুল চন্দ্ৰ ভূঞাৰ জাতীয়তাবাদী চেতনা

(ঘ) অতুল চন্দ্ৰ হাজৰিকাৰ নাটকত পুৰাকাহিনীৰ প্ৰয়োগ

(ঙ) জ্ঞান পূজাৰীৰ কবিতাৰ নাট্যধৰ্মিতা

(চ) বিপুল খাটনিয়াৰ গল্পৰ বিষয়বস্তুৰ অভিনৱত্ব

---

Total number of printed pages–3

**14 (ASM–1) 1086**

**2022**

# ASSAMESE

Paper : ASM–1036

***(Study of Culture in Assam)***

*(অসমৰ সংস্কৃতি অধ্যয়ন)*

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। বহলাই আলোচনা আগবঢ়োৱা ঃ *(যিকোনো পাঁচটা)*

১২×৫=৬০

(ক) সংস্কৃতিৰ স্বৰূপ নিৰ্ণয় কৰি ইয়াৰ প্ৰকাৰভেদ সম্পৰ্কে এটি বহলাই আলোচনা আগবঢ়োৱা।

(খ) সমাজৰ সদস্যৰূপে মানুহে আহৰণ কৰা "জ্ঞান, বিশ্বাস, কলা, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, উৎসৱ-অনুষ্ঠান, আইন-কানুন, নৈতিকতা-অভ্যাস আৰু অন্যান্য সামাজিক সামৰ্থ্যৰ সামগ্ৰিক যৌগিক ৰূপেই সংস্কৃতি।" উক্ত মন্তব্যটোৰ আধাৰত সংস্কৃতি সম্বন্ধে এটি নিবন্ধ যুগুত কৰা।

*Contd.*

(গ) লোকসংস্কৃতি কাক বোলে ? ইয়াৰ উপবিভাগসমূহ উল্লেখ কৰি প্ৰত্যেকৰ বিষয়ে চমু আলোচনা আগবঢ়োৱা।

(ঘ) মধ্যযুগৰ অসমীয়া সংস্কৃতি বুলিলে কি বুজা ? মধ্যযুগৰ সংস্কৃতিৰ সম্প্ৰসাৰণত আহোম সকলৰ ভূমিকাৰ বিষয়ে চমুকৈ আলোচনা কৰা।

(ঙ) "নৱ-বৈষ্ণৱ যুগ, অসমীয়া সংস্কৃতি বিকাশৰ স্বৰ্ণযুগ।" এই মন্তব্যৰ আধাৰত অসমীয়া সংস্কৃতিৰ বহুমুখী বিকাশত মহাপুৰুষ শংকৰদেৱৰ অৱদানৰ মূল্যায়ন কৰা।

(চ) সংস্কৃতিৰ সমাহৰণ (Assimilation) সংস্কৃতিৰ ধাৰণ (Acculturation) আৰু সংস্কৃতিৰ ৰক্ষণাবেক্ষণ বুলিলে কি বুজা ? উত্তৰ-পূৰ্বাঞ্চলৰ দুই বা ততোধিক জনগোষ্ঠীৰ সংস্কৃতিৰ আধাৰত উদাহৰণসহ আলোচনা কৰা।

(ছ) বিশ্বায়নে আন আন দিশৰ লগতে সংস্কৃতিৰ ক্ষেত্ৰতো ব্যাপক প্ৰভাৱ পেলোৱা দেখা যায়। তোমাৰ পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত সংস্কৃতিৰ এটা শাখাৰ আধাৰত অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক জীৱনত বিশ্বায়নে যোৱা দুটা দশকত কেনেকৈ প্ৰভাবান্বিত কৰিছে সেই বিষয়ে এটি নিবন্ধ যুগুত কৰা।

২। চমু টোকা লিখা ঃ *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) অসমৰ মানুহৰ প্ৰজাতি

(খ) কৃষ্টি আৰু সংস্কৃতি

(গ) প্ৰাগজ্যোতিষ আৰু কামৰূপ নামৰ তাৎপৰ্য

(ঘ) সত্ৰীয়া নৃত্য কলা

(ঙ) জনজাতীয় সংস্কৃতিত 'চাংঘৰ'

(চ) সংস্কৃতিৰ বাণিজ্যিকীকৰণ

---

**14 (ASM–1) 1046**

**2022**

# ASSAMESE

Paper : ASM–1046

***(History of Sanskrit Literature)***

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। *যিকোনো পাঁচটা* প্ৰশ্নৰ উত্তৰ কৰিবা ঃ ১২×৫=৬০

(ক) 'ৰামায়ণ'ক আদিকাব্যৰূপে সাব্যস্ত কৰিব পৰাকৈ এটি যুক্তিপূৰ্ণ আলোচনা যুগুত কৰাঁ।

(খ) 'মহাভাৰত'ৰ বিকাশৰ স্তৰসমূহ উল্লেখ কৰি ভাৰতীয় জাতীয় জীৱনত ইয়াৰ প্ৰভাৱ সম্পৰ্কে এটি প্ৰবন্ধ লিখা।

*Contd.*

(গ) সংস্কৃত নাট্যসাহিত্যত কালিদাস ৰচিত নাটসমূহৰ পৰ্যালোচনাৰ মাজেৰে নাট্যকাৰজনৰ প্ৰতিভাৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

(ঘ) গদ্যকাৰ বাণভট্ট আৰু দন্তীৰ গদ্যকাব্যৰ বিষয়ে এটি তুলনামূলক আলোচনা আগবঢ়োৱা।

(ঙ) চম্পূকাব্যৰ সংজ্ঞা দি এই ধাৰাটোত বিষয়ে চমুকৈ আলোচনা কৰাঁ।

(চ) প্ৰাগজ্যোতিষ তথা কামৰূপৰ পৰিচয় দাঙি ধৰা আৰু ভাৰতীয় সংস্কৃত সাহিত্যত ইয়াৰ উল্লেখ ক'ত কেনেদৰে পোৱা যায় বিচাৰ কৰাঁ।

(ছ) অসমৰ বৈষ্ণৱ কবি-সাহিত্যিকসকলে ৰচনা কৰা সংস্কৃত সাহিত্যৰাজিৰ আভাস দাঙি ধৰি এটি নিবন্ধ যুগুত কৰাঁ।

২। চমু টোকা লিখা ঃ *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) অশ্বঘোষ

(খ) দুষ্যন্ত

(গ) ভৱভূতি

(ঘ) কালিকা পুৰাণ

(ঙ) নিধানপুৰ আৰু ডুবি আম্ৰশাসন

(চ) অসমত ৰচিত তন্ত্ৰসাহিত্য

---

Total number of printed pages–2

**14 (ASM–1) 1054**

**2022**

**ASSAMESE**

Paper : ASM–1054

*Full Marks : 60*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

*৭নং প্ৰশ্নটো বাধ্যতামূলক। বাকী প্ৰশ্নসমূহৰ মাজৰ পৰা যিকোনো চাৰিটাৰ উত্তৰ লিখিবা ঃ* ১২×৪=৪৮

১। "প্লেটো আছিল আদৰ্শবাদী; বিপৰীতে এৰিষ্ট'টল আছিল প্ৰায়োগিকতাবাদী।" অনুকৰণ সন্দৰ্ভত উক্তিটোৰ যথাৰ্থতা প্ৰদৰ্শন কৰা।

২। ৰোমান্টিক সাহিত্যত কল্পনা কিদৰে সৃষ্টিশীলতাৰ উৎসৰূপে ক্ৰিয়াশীল, দেখুওৱা।

৩। ৰোমান্টিক নাটক আৰু বাস্তৱবাদী নাটকৰ পাৰ্থক্য বিচাৰ কৰা।

*Contd.*

৪। আধুনিক কবিতাৰ কাব্যভাষা সন্দৰ্ভত এটা প্ৰবন্ধ যুগুত কৰা।

৫। প্ৰছেনিয়াম মঞ্চৰ সংৰচনাত্মক আৰু কলাত্মক দিশসমূহৰ বিষয়ে আলোচনা কৰা।

৬। কাৰ্যাত্মক (Functional) লেখা সৃষ্টিশীল লেখাতকৈ কি কি ধৰণে বেলেগ, বিভিন্ন উদাহৰণৰ সহায়ত দেখুওৱা।

৭। চমু টোকা লিখা ঃ *(যিকোনো তিনিটা)* ৪×৩=১২

(ক) অনুকৰণৰ মাধ্যম

(খ) ৰোমান্টিক দৃষ্টিত বিস্ময়ৰ সংযোগ

(গ) উপন্যাসৰ বৃত্তান্ত (narrative)

(ঘ) চুটিগল্পৰ সংক্ষিপ্ততা

(ঙ) চেতনা-স্ৰোত পদ্ধতি

(চ) বাটৰ নাট

---